**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-02-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

***:::::::::::::::::::::::::::::::::::::::::***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি দুদিনীয়া ভ্ৰমণসূচীৰে মুম্বাইত উপস্থিত হয়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ইজৰাইল অভিমুখে ৰাওণা হ'ব।

৩। বাংলাদেশৰ শেহতীয়া ৰাজনৈতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আগৰতলাৰ পৰা ঢাকা হৈ কোলকাতালৈ যাত্ৰীবাহী বাছ সেৱা আজি পুনৰ আৰম্ভ হৈছে।

৪। ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষক সন্মিলন ২০২৬ ত সংঘটিত যুৱ কংগ্ৰেছৰ প্ৰতিবাদ সন্দৰ্ভত সুনিৰ্দিষ্ট প্ৰমাণ পোৱা বুলি দিল্লী আৰক্ষীয়ে জানিবলৈ দিছে। ***আৰু***

৫। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ গ্ৰুপ-টুৰ এখন খেলত পাকিস্তান-ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

ooooo

দুদিনীয়া ভ্ৰমণসূচীৰে মহাৰাষ্ট্ৰলৈ অহা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি মুম্বাইত উপস্থিত হয়। মুম্বাইৰ চত্ৰপতি শিৱাজী মহাৰাজ বিমানবন্দৰত ৰাজ্যপাল আচাৰ্য্য দেৱব্ৰতে আদৰণি জনায়। মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নবীশ, উপ মুখ্যমন্ত্ৰীদ্বয় একনাথ সিন্ধে আৰু সুনেত্ৰা অজিত পাৱাৰ, প্ৰট'কল ৰাজ্যমন্ত্ৰী জয় কুমাৰ ৰাৱাল, মেয়ৰ ৰিতু টাৱৰে, মুখ্য সচিব ৰাজেশ আগৰৱালেও ৰাষ্ট্ৰপতিগৰাকীক আদৰণি জনায়। তেওঁ খন্তেক সময় পাছতে মুম্বাইৰ লোকভৱনত পি ডি হিন্দুজা চিকিৎসালয়ে আয়োজন কৰা **জীৱন ৰক্ষা আৰু সুস্বাস্থ্য ভাৰত গঢ়া** শীৰ্ষক ৰাষ্ট্ৰীয় অভিযান মুকলি কৰিব।

ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ শ্বেগাঁৱৰ বুলধানাত কেন্দ্ৰীয় আয়ুষ মন্ত্ৰালয়ে আয়োজন কৰা ৰাষ্ট্ৰীয় আৰোগ্য মেলা ২০২৬ত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে নাগপুৰত ব্ৰহ্মকুমাৰীয়ে আয়োজন কৰা একতা আৰু বিশ্বাসেৰে গঢ়া মহাৰাষ্ট্ৰ সোণালী যুগ শীৰ্ষক ৰাজ্যিক পৰ্যায়ৰ কাৰ্যসূচীৰ উদ্বোধনী অনুষ্ঠানতো ভাগ ল'ব।

ইফালে বৃহস্পতিবাৰে শ্ৰীমতী মুৰ্মুৱে ঝাৰখণ্ডৰ জামছেদপুৰৰ শ্ৰীজগন্নাথ আধ্যাত্মিক আৰু সাংস্কৃতিক ন্যাসে আয়োজন কৰা শ্ৰীজগন্নাথ মন্দিৰৰ ভূমিপূজন অনুষ্ঠানত অংশগ্ৰহণ কৰিব। তেওঁ জামছেদপুৰৰ মনিপাল টাটা চিকিৎসা মহাবিদ্যালয়লৈ যাব আৰু শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰিব। অহা শুকুৰবাৰে শ্ৰীমতী মুৰ্মু ৰাজস্থানৰ পোখৰাণত ভাৰতীয় বায়ুসেনাৰ **বায়ুশক্তি** অনুশীলন কাৰ্যসূচীতো ভাগ ল'ব।

oooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ইজৰাইল অভিমুখে ৰাওণা হ'ব। এই ভ্ৰমণসূচীৰ আৰম্ভণিতে তেওঁ দেশখনৰ প্ৰধানমন্ত্ৰী নেতানয়াহুৰ সৈতে টেল আভিভত বিভিন্ন বিষয় লৈ আলোচনাত অংশগ্ৰহণ কৰিব। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত প্ৰধানমন্ত্ৰী মোডীৰ উপস্থিতিত জেৰুজালেমত এলানি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইজৰাইলত থকা ভাৰতৰ ৰাষ্ট্ৰদূত জে পি সিঙে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ইজৰাইল ভ্ৰমণক ঐতিহাসিক বুলি অভিহিত কৰিছে। জেৰুজালেমত আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা কথোপকথনত শ্ৰীসিঙে কয়, যে

সন্ত্ৰাসবাদৰ বিষয়ক লৈ ভাৰত আৰু ইজৰাইলে একেটা শাৰীতে অৱস্থান গ্ৰহণ কৰিছে। যিকোনো সংকট উদ্ভৱ হোৱাৰ সময়ত দুয়োখন দেশেই পৰস্পৰৰ কাষত থিয় দি আহিছে বুলিও তেওঁ মত প্ৰকাশ কৰে।

ইয়াৰ পূৰ্বে ২০১৭ বৰ্ষত প্ৰধানমন্ত্ৰী মোডীয়ে ইজৰাইল ভ্ৰমণ কৰাৰ সময়ত দুয়োগৰাকী নেতাই দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ বুনিয়াদ ৰচনা কৰিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে এতিয়া এই কৌশলগত সম্পৰ্কক দৃঢ়তৰ কৰি তোলাৰ লগতে এটা নতুন পৰ্যায়ত উপনীত কৰোৱাৰ সময় উপস্থিত হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ এই ভ্ৰমণৰ সময়ছোৱাত দুয়োগৰাকীৰ নেতাৰ মাজত হোৱা আলোচনাৰ পৰৱৰ্তী পৰ্যায়ত ভাৰত আৰু ইজৰাইলৰ মাজত কেইবাখনো চুক্তি স্বাক্ষৰিত হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। ৰাষ্ট্ৰদূতগৰাকীয়ে প্ৰকাশ কৰা মতে, প্ৰধানমন্ত্ৰী দুগৰাকীৰ মাজৰ আলোচনাত উদ্ভাৱন, বিজ্ঞান আৰু প্ৰযুক্তি, কৃত্ৰিম বুদ্ধিমত্তা, চাইবাৰ সুৰক্ষা আদিৰ দৰে বিষয়সমূহে স্থান লাভ কৰিব।

০০০০০

চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ শেহতীয়া ৰাজনৈতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আগৰতলাৰ পৰা ঢাকা হৈ কোলকাতালৈ যাত্ৰীবাহী বাছ সেৱা দীৰ্ঘদিনৰ বিৰতিৰ অন্তত আজি পুনৰ আৰম্ভ হৈছে। ত্ৰিপুৰাৰ পৰিবহন আৰু পৰ্যটন মন্ত্ৰী সুশান্ত চৌধুৰী আৰু টি আৰ টি চিৰ অধ্যক্ষ সমৰ ৰয়ে উপস্থিত হৈ এই বাছখনত অহা যাত্ৰীসকলক আদৰণি জনায়। পৰিবহন মন্ত্ৰী শ্ৰীচৌধুৰীয়ে এই সেৱা পুনৰ আৰম্ভ হোৱাত সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ দ্বিপাক্ষিক বাণিজ্য আৰু পৰ্যটনকে ধৰি সামগ্ৰিক সম্পৰ্কত বাংলাদেশৰ নৱ নিৰ্বাচিত চৰকাৰৰ ভূমিকা সম্পৰ্কে আশা প্ৰকাশ কৰে। বিষয়াসকলে কয় যে বহু প্ৰত্যাশিত আগৰতলা-ঢাকা-কোলকাতা আন্তঃৰাষ্ট্ৰীয় বাছ সেৱা পুনৰ আৰম্ভ হলে সীমা অতিক্ৰমী বাণিজ্য আৰু পৰ্যটন ক্ষেত্ৰৰ উত্থান ঘটিব। ইপিনে, কোলকাতাৰ পৰা অহা বাছখনো যাত্ৰীসকলে এই সেৱা পুনৰ আৰম্ভ হোৱাৰ ফলত বহু সুবিধা লাভ কৰা বুলি জানিবলৈ দিয়ে। ০

০০০০০০

নতুন দিল্লীত অনুষ্ঠিত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষক সন্মিলন ২০২৬ ত সংঘটিত হোৱা যুৱ কংগ্ৰেছৰ প্ৰতিবাদ সন্দৰ্ভত সুনিৰ্দিষ্ট প্ৰমাণ পোৱা বুলি দিল্লী আৰক্ষীয়ে জানিবলৈ দিয়ে। সংবাদ মাধ্যমক সম্বোধন কৰি অপৰাধ শাখাৰ বিশেষ আৰক্ষী আয়ুক্ত দেবেশ চন্দ্ৰ শ্ৰীবাস্তৱে কয়, যে গোচৰৰ তদন্ত অপৰাধ শাখাৰ আন্তঃৰাজ্যিক কোষলৈ হস্তান্তৰ কৰা হৈছে। তেওঁ লগতে কয়, যে তদন্তৰ ভিত্তিত ভাৰতীয় যুৱ কংগ্ৰেছৰ সভাপতি উদয় ভাণু শিৱকে ধৰি ৮ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। গ্ৰেপ্তাৰ হোৱা লোককেইজনৰ ভিতৰত ভাৰতীয় যুৱ কংগ্ৰেছৰ বিষয়ববীয়াও আছে বুলি শ্ৰীবাস্তৱে লগতে উল্লেখ কৰে।

০০০০০

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি নতুন দিল্লীত পৰ্যটন নেতৃত্ব শীৰ্ষ সন্মিলন-২০২৬ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। আমেৰিকা-ভাৰত কৌশলগত সহযোগিতা মঞ্চ, ইউ এছ আই এছ পি এফৰ উদ্যোগত আয়োজিত এই শীৰ্ষ সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি তেওঁ পৰ্যটন কেৱল এটা উদ্যোগেই নহয় বুলি মত প্ৰকাশ কৰি ইয়াক দুটা সংস্কৃতিৰ মাজত সেঁতু আৰু অৰ্থনৈতিক সুযোগ-সুবিধাৰ চালিকা শক্তি বুলি অভিহিত কৰে। পৰ্যটকসকলে দেশ-বিদেশ ভ্ৰমণ কৰাৰ সময়ত সংস্কৃতি, ঐতিহ্য, পৰস্পৰৰ মাজৰ অৰ্থপূৰ্ণ সংযোগ আদি সন্ধান কৰে বুলি উল্লেখ কৰি তেওঁ লগতে কয়, যে পৰ্যটন হ'ল কৰ্মসংস্থাপনৰ এবিধ অন্যতম প্ৰধান উৎস। পৰ্যটন খণ্ডৰ সামগ্ৰিক তথা দীৰ্ঘস্থায়ী উন্নয়ন সাধনৰ স্বাৰ্থত দক্ষতা, উদ্যমিতা আৰু মহিলা নেতৃত্বাধীন উদ্যোগ প্ৰতিষ্ঠানৰ প্ৰতি গুৰুত্ব আৰোপ কৰা উচিত বুলি তেওঁ মত প্ৰকাশ কৰে।

০০০০০

হায়দৰাবাদত আজি চাৰিজন জ্যেষ্ঠ নক্সালবাদিয়ে আত্মসমৰ্পণ কৰে। শীৰ্ষ মাওবাদী নেতা টিপিৰি থিৰুপতি দেৱজী, পলিটব্যুৰোৰ সদস্য; মল্ল ৰাজী ৰেড্ডী সংগ্ৰাম, কেন্দ্ৰীয় সমিতিৰ সদস্য; বদে চোক্কা ৰাও দামোদৰ, তেলেংগানা ৰাজ্যিক সমিতিৰ সম্পাদক; আৰু ৰাজ্যিক সমিতিৰ সদস্য নুনে নৰসিংহ ৰেড্ডী গংগন্নাই ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধান বি শিৱধৰ ৰেড্ডীৰ ওচৰত আত্মসমৰ্পণ কৰে।

সংবাদ মাধ্যমত সম্বোধন কৰি আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী ৰেবনাথ ৰেড্ডীৰ মাওবাদী নেতাসকলক মূল সুতিত যোগদানৰ বাবে কৰা আহ্বানৰ বাবে নেতাসকলে আত্মসমৰ্পন কৰিছে। তেওঁ কয় যে চৰকাৰৰ উন্নয়ন আৰু কল্যানমূলক ব্যৱস্থাৰ ফলত এই মাওবাদী আন্দোলন দুৰ্বল হৈ পৰিছে আৰু মাওবাদী নেতাসকল উন্নয়নৰ পথত অগ্ৰসৰ হৈছে।
তেওঁলোকৰ আত্মসমৰ্পণক মাওবাদী দলৰ বাবে এক বৃহৎ আঘাত হিচাপে গণ্য কৰা হৈছে।

তেওঁলোকৰ আত্মসমৰ্পণৰ পিছতে তেলেংগানা ৰাজ্যিক সমিতিখন বন্ধ কৰি দিয়া হৈছে। আৰক্ষী সঞ্চালক প্ৰধান জনে কয় যে ৰাজ্যখনৰ ৫৯১জন মাওবাদী কেডাৰৰ ভিতৰত এই পৰ্য্যন্ত ১১ জনৰ বাহিৰে সকলোৱে তেলেংগানাত আত্মসমৰ্পণ কৰিছে।

ooooo

পাকিস্তানৰ খাইবাৰ পাখতুনখোৱা প্ৰদেশৰ কোহা জিলাত আজি আৰক্ষীৰ বাহনত উগ্ৰপন্থীয়ে কৰা আক্ৰমণত ছজন আৰক্ষীৰ জোৱান নিহত হোৱাৰ লগতে আন এজন আহত হয়। জিলা আৰক্ষী বিষয়াই জানিবলৈ দিয়া অনুসৰি ছকৰদাৰা পথত দুৰ্বৃত্তই আৰক্ষীৰ বাহনখনত আক্ৰমণ কৰাৰ ফলত এনে দুৰ্ঘটনা সংঘটিত হয়। আক্ৰমণৰ পাছত দুৰ্বৃত্তই বাহনখন জ্বলাই ঠাইৰ পৰা পলায়ন কৰে। এই আক্ৰমণৰ পাছতে জিলাখনত আৰক্ষী বিষয়াৰ এটা দল মোতায়েন কৰা হৈছে।

ooooo

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে এখন শুদ্ধ ভোটাৰ তালিকা যিকোনো গণতন্ত্ৰৰ বাবে মূল আধাৰ বুলি মত প্ৰকাশ কৰিছে।

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি অনুষ্ঠিত ভাৰতৰ নিৰ্বাচন আয়োগ আৰু ভিন ভিন ৰাজ্যৰ নিৰ্বাচন আয়ুক্তসকলৰ মাজৰ ষষ্ঠ ৰাষ্ট্ৰীয় ঘূৰণীয়া মেজমেলত অংশগ্ৰহণ কৰি তেওঁ এইদৰে মত প্ৰকাশ কৰে। ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণৰ বিষয় উল্লেখ কৰি শ্ৰীকুমাৰে কয়, যে যোগ্যতাসম্পন্ন প্ৰতিগৰাকী ভোটদাতাৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হোৱা আৰু অযোগ্য লোকসকলৰ নাম তালিকাৰ পৰা বাদ পৰাটো অতিশয় প্ৰয়োজনীয়। বিহাৰত আৰম্ভ হোৱা এই প্ৰক্ৰিয়া পৰৱৰ্তী সময়ত দেশৰ ১২খন ৰাজ্যত কাৰ্যকৰী হোৱা বুলি উল্লেখ কৰি তেওঁ লগতে কয়, যে ইতিমধ্যে ইয়াৰে ১১খন ৰাজ্যত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাইছে।

উল্লেখযোগ্য যে, নিৰ্বাচন আয়োগে আয়োজন কৰা এই বৈঠক ২৭ বছৰৰ পাছত অনুষ্ঠিত হৈছে। ইয়াৰ পূৰ্বে ১৯৯৯ চনত এই ঘূৰণীয়া মেজমেলৰ আয়োজন কৰা হৈছিল।

ooooo

বিজেপিয়ে আজি ভোপালত এখন সভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ বিৰুদ্ধে কৰা মন্তব্যক লৈ লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীক তীব্ৰ সমালোচনা কৰে। নতুন দিল্লীত এখন সংবাদমেলত ভাষণ দি দলৰ নেত্ৰী বাঁসুৰী স্বৰাজে কয় যে শ্ৰী গান্ধীয়ে কেৱল ঘৃণা,

নেতিবাচকতা আৰু বিশৃংখলতাহে বিচাৰি পায়। তেওঁ লগতে কয় যে যিকোনো গণতন্ত্ৰত বিৰোধীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে যদিও কেৱল ঘৃণা, অৰাজকতা আৰু নৈৰাজ্য বিক্ৰী কৰা ৰাহুল গান্ধীৰ দৰে বিৰোধী নেতা থকাটো ভাৰতৰ দুৰ্ভাগ্য। বিজেপি নেতাগৰাকীয়ে কয় যে এআই সন্মিলনত কংগ্ৰেছ কৰ্মীসকলে যি ধৰণে আচৰণ কৰিছিল, সেইটোৱে স্পষ্টকৈ দেখুৱাইছে যে দলটোৱে নিজৰ স্বাৰ্থৰ বাবে দেশৰ সন্মানক জলাঞ্জলি দিয়ে । স্বৰাজে অভিযোগ কৰে যে, দেশৰ জনসাধাৰণে কংগ্ৰেছ দলৰ মতাদৰ্শগত শূণ্যতা স্পষ্টভাৱে দেখিবলৈ পাইছে। তেওঁ কয় যে সমাগত বিধানসভা নিৰ্বাচন সমূহত নাগৰিকে পুনৰবাৰ ৰাহুল গান্ধী আৰু কংগ্ৰেছ দলক উচিত প্ৰত্যুত্তৰ দিব।

ooooo

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ গ্ৰুপ-টুৰ এখন খেলত আজি পাকিস্তান ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। শ্ৰীলংকাৰ পাল্লেকেলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত টছত জিকি পাকিস্তানে প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয়। আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈ পাকিস্তানে ১ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ৫ ৰান সংগ্ৰহ কৰে।

ooooo

৺ সমাপ্ত ৺